# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-02-2025 **Time :** 1800 Hrs

## ***Assamese Evening Bulletin***
### ***HEADLINES***

**- - - - - - - - - - - - - -**

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ  বিনিয়োগকাৰীসকলক আকৰ্ষণ কৰাৰ বাবে ছিংগাপুৰলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভ্ৰমণৰ দ্বিতীয় দিনা দেশখনৰ উপ প্ৰধানমন্ত্ৰী তথা বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী গেন কিম য়ঙক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে উদ্ভাৱনমুখী অৰ্থনীতি, ছেমিকণ্ডাক্টৰ, দক্ষতা আৰু সেউজ শক্তিৰ সহযোগিতাৰ জৰিয়তে ভাৰত- এছিয়ান কৌশলগত অংশীদাৰিত্বত অসমৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে অসম আৰু ছিংগাপুৰৰ মাজত থকা সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত উপ প্ৰধানমন্ত্ৰীগৰাকীৰ দায়বদ্ধতাৰ শলাগ লয়। মুখ্যমন্ত্ৰী শৰ্মাই আজি ছিংগাপুৰত এটা ৰোড শ্ব'তো অংশ লয়। ২০০তকৈও অধিক ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰা এই ৰোড শ্ব'ত বিনিয়োগকাৰীসকলে ভাৰতৰ অৰ্থনৈতিক সম্ভাৱনাৰ ক্ষেত্ৰত অসমৰ ভূমিকাক লৈ আগ্ৰহ প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে প্ৰস্তাৱিত ১৪৩ বিলিয়ন ডলাৰৰ ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন, ১২ দশমিক ২ বিলিয়ন ডলাৰৰ আন্তগাঁথনি পুনৰ নিৰ্মাণ, দৈনিক ১৫ কিলোমিটাৰ পথ নিৰ্মাণ, ৬হাজাৰ মেগাৱাট সেউজ শক্তিৰ আহৰণৰ লক্ষ্যকে  ধৰি বিভিন্ন ক্ষেত্ৰত অসমে  বিনিয়োগকাৰী সকলক লাভান্বিত হোৱাত সহায় কৰিছে। মুখ্যমন্ত্ৰীয়ে ব্যক্তিগতভাৱে প্ৰতিগৰাকী সম্ভাব্য বিনিয়োগকাৰীক এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত অংশ লৈ ৰাজ্যখনত বিভিন্ন সুযোগৰ অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়।

ইয়াৰপূৰ্বে, পুৱাৰ ভাগত ড০ শৰ্মাই ছিংগাপুৰৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ মূল অংশীদাৰ সকলৰ সৈতে ফলপ্ৰসু আলোচনাত মিলিত হয়। তেওঁ এই আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে টাটা ইলেক্ট্ৰনিকছ, কীচাইট প্ৰযুক্তি, ইক'ছফট, ছিংগাপুৰ বিজনেছ ফেডাৰেচন, ইণ্ডিয়ান অ'চেন গ্ৰুপকে ধৰি অন্যান্য উদ্যোগৰ প্ৰতিনিধিসকলক ধন্যবাদ জনায়।

০০০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশনৰ ১৭ ফেব্ৰুৱাৰীত প্ৰথম দিনৰ কাৰ্যসূচী অনুষ্ঠিত হ'বলগীয়া কোকৰাঝাৰৰ বড়োলেণ্ড আঞ্চলিক পৰিষদ বিধায়িনী ভৱনত আজি মুখ্য সচিব ড০ ৰবি কোটা উপস্থিত হৈ ইয়াৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্য সচিবগৰাকীয়ে ৰাজ্যপালৰ ভাষণকে ধৰি প্ৰথম দিনাৰ কাৰ্যসূচী নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে বি টি চি আৰু কোকৰাঝাৰ জিলা প্ৰশাসনে চলোৱা প্ৰস্তুতিৰ বুজ লয়। মুখ্য সচিব ড০ কোটাই এই এদিনীয়া অধিবেশনৰ প্ৰস্তুতি যুদ্ধকালীন ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ বি টি চিৰ প্ৰধান সচিব আকাশদ্বীপক নিৰ্দেশ দিয়ে। তেওঁ বিধানসভাৰ সদস্যসকল আৰু মন্ত্ৰী-বিষয়াসকলৰ আসনৰ ব্যৱস্থা সুনিয়াৰিকৈ কৰা, সেইদিনা নিৰৱচ্ছিন্ন বিজুলী আৰু পানী যোগানৰ ব্যৱস্থা কৰা, ত্ৰুটিবিহীন শব্দপ্ৰক্ষেপনৰ ব্যৱস্থা  আৰু আপ্যায়নৰ সুব্যৱস্থা কৰা সম্পৰ্কত সংশ্লিষ্ট সকলো বিভাগৰ সক্ৰিয় সহযোগিতা সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব

আৰোপ কৰে।  আমাৰ কোকৰাঝাৰৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰীয়ে জনোৱা মতে মুখ্য সচিবগৰাকীয়ে আজি বি টি চিৰ অধিবেশন কক্ষ, মন্ত্ৰী আৰু বিধায়িনী দলৰ দলপতিসকলৰ বাবে নিৰ্ধাৰিত কক্ষ আদি পৰিদৰ্শন কৰে। মুখ্য সচিবৰ সৈতে আজিৰ বৈঠকত বি টি চিৰ প্ৰধান সচিব আকাশদ্বীপৰ লগতে কোকৰাঝাৰৰ জিলা আয়ুক্ত এম এম পাৰ্টিন, আৰক্ষী অধীক্ষক পুষ্পৰাজ সিং আৰু বড়োলেণ্ড আঞ্চলিক পৰিষদৰ সকলো বিভাগীয় সচিব আৰু সঞ্চালকসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখক জয়ন্তী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভালেমান কাৰ্যসূচী অনুষ্ঠিত হয়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, দৰং জিলা প্ৰশাসন, কোচ-ৰাজবংশী উন্নয়ন পৰিষদ আৰু সদৌ অসম কোচ ৰাজবংশী সন্মিলনৰ সহযোগত মঙলদৈৰ গান্ধী মৈদানত আজি কেন্দ্ৰীয় কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত মন্ত্ৰী বিমল বৰা আৰু কেশৱ মহন্তৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু বিজেপি ডিব্ৰুগড় জিলা সমিতিয়ে আজিৰে পৰা ডিব্ৰুগড়ত দুদিনীয়া কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰিছে। কাৰ্যসূচীৰ অংশহিচাপে বিশিষ্ট কবি বিজু শৰ্মাক বীৰ চিলাৰায় বঁটা প্ৰদান কৰা হয়।

যোৰহাট জিলাৰ সাহপুৰীয়া গাঁৱৰ নৱৰূপ কলাকৃষ্টি কেন্দ্ৰত বীৰ চিলাৰায় দিৱসৰ সৈতে সংগতি ৰাখি পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা  উলিওৱা হয়। যোৰহাট জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাই চাৰিগাঁও মৌজাৰ ১ নম্বৰ টুকুৰীয়াত এই দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰে।

০০০০০০০০

লামডিঙৰ লাষ্ট ক'লনিৰ ছাৰ্জ ৰোডত আজি পুৱতি নিশা সংঘটিত অগ্নিকাণ্ডত ৪টা ৰে'লৱে আবাস গৃহৰ লগতে আন ৪টা ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে জুইত জাহ যায়। এই অগ্নিকাণ্ডত ৫০লক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত হোৱাৰ আশংকা কৰা হৈছে।  লামডিং আৰু হোজাই শংকৰদেৱ নগৰৰ অগ্নিনিৰ্বাপক বাহিনীয়ে ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপন কৰে। ঘটনাস্থলীত ৰে'ল আৰক্ষী আৰু লামডিং আৰক্ষীয়ে জুই নিয়ন্ত্ৰণত সহায় কৰে। আৰক্ষীয়ে অগ্নিকাণ্ডৰ সূত্ৰপাতৰ বিষয়ত তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

ৰাজ্যত কাইলৈৰ পৰা হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এইবাৰ মুঠ ৮৫৬টা পৰীক্ষা কেন্দ্ৰত ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। ইয়াৰ ভিতৰত ১লাখ ৪৪ হাজাৰ ৫০২গৰাকী ছাত্ৰ আৰু ১ লাখ ৬২ হাজাৰ ৪২৩ গৰাকী ছাত্ৰী আছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সচিব নাৰায়ণ নাথে আজি প্ৰকাশ কৰা অনুসৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাত ২লাখ ৩০ হাজাৰ ৯১গৰাকী, বিজ্ঞান শাখাত ৫৭হাজাৰ ৭২৪গৰাকী, বাণিজ্য শাখাত ১৭ হাজাৰ ৮৬৯গৰাকী আৰু বৃত্তিমূলক শিক্ষাত এহেজাৰ ২৪১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব।

০০০০০০

সমাপ্ত